আল্লা-হুম্মা আনতাছ ছালামু অমিনকাছ ছালাম, তাবাৰাকতা য়া যাল জালালি অল ইকৰাম।

ছাওবান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজ শেষ কৰি তিনিবাৰকৈ ইস্তিগফাৰ পঢ়িছিল। ইয়াৰ পিছত কৈছিলঃ "আল্লা-হুম্মা আনতাছ ছালামু অমিনকাছ ছালাম, তাবাৰাকতা য়া যাল জালালি অল ইকৰাম।",
অলীদে কৈছে যে, মই আওঝায়ী ৰাহিমাহুল্লাহক সুধিলোঁ◌ঃ ইস্তিগফাৰ কেনেকৈ কৰিব লাগে? তেখেতে ক'লেঃ এনেকৈ কোৱা "আস্তাগফিৰুল্লাহ, আস্তাগফিৰুল্লাহ"। [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজ শেষ কৰি এইদৰে কৈছিলঃ আস্তাগফিৰুল্লাহ, আস্তাগফিৰুল্লাহ, আস্তাগফিৰুল্লাহ। ইয়াৰ পিছত মহান প্ৰতিপালকৰ এইদৰে গুণগান কৰিছিলঃ "আল্লা-হুম্মা আনতাছ ছালামু অমিনকাছ ছালাম, তাবাৰাকতা য়া যাল জালালি অল ইকৰাম।" অৰ্থাৎ মহান আল্লাহ সকলো ক্ষেত্ৰতে পূৰ্ণাংগ গুণৰ অধিকাৰী, তেওঁ সকলো প্ৰকাৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ। দুনিয়া আৰু আখিৰাতৰ সকলো প্ৰকাৰ অনিষ্টতাৰ পৰা একমাত্ৰ আল্লাহৰ ওচৰতে নিৰাপত্তা তথা সুৰক্ষা প্ৰাৰ্থনা কৰিব লাগে, তেওঁৰ বাহিৰে আন কাৰো ওচৰতেই নহয়। দুনিয়া আৰু আখিৰাত উভয় ঠাইতে তেওঁৰ কল্যাণ অগণন। তেৱেঁই অত্যন্ত মহান আৰু উপকাৰকাৰী।

https://sunnah.global/hadeeth/as/show/10947